**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-05-2026
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

উমৈহতীয়া দেৱানী বিধি প্ৰনয়ন আৰু ৰূপায়ন কৰিবলৈ ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই আজি বিধানসভাত ঘোষণা কৰে। ৰাজ্যপালগৰাকীয়ে কয় যে, ৰাজ্য চৰকাৰে উমৈহতীয়া দেৱানী বিধি ৰূপায়নৰ বাবে কাম কৰি যাব। বিশেষকৈ ৰাজ্যখনৰ জনজাতীয়, খিলঞ্জীয়া আৰু অন্যান্য সুৰক্ষিত সম্প্ৰদায়ৰ পৰিচয়, ভূমি অধিকাৰ, নিৰাপত্তা আৰু সাংবিধানিক স্বাৰ্থ সুৰক্ষিত কৰিবলৈ চৰকাৰ দৃঢ় প্ৰতিজ্ঞ। উল্লেখযোগ্য যে আজি যোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ দ্বিতীয় দিনাৰ কাৰ্যক্ৰমণিকা ৰাজ্যপালৰ ভাষণেৰে আৰম্ভ হয়। ৰাজ্যপালগৰাকীয়ে ভাষণৰ আৰম্ভণিতে বিধানসভাৰ নৱ-নিৰ্বাচিত অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসক অভিনন্দন জনায়। শ্ৰীদাসে তেওঁৰ দীৰ্ঘদিনীয়া অভিজ্ঞতাৰে জনসাধাৰণৰ স্বাৰ্থত সদনৰ গৰিমা আৰু ঐতিহ্য বৰ্তাই ৰাখিব বুলি ৰাজ্যপালগৰাকীয়ে আস্থা ব্যক্ত কৰে।

ৰাজ্যপালৰ ভাষণৰ পাছত অধ্যক্ষই সদনৰ কাম-কাজ ৪৫ মিনিটৰ বাবে বিৰতি ঘোষণা কৰে। ইয়াৰ পাছতে শাসকীয় দলৰ বিধায়ক বিশ্বজিৎ ফুকনে ৰাজ্যপালৰ ভাষণ সন্দৰ্ভত ধন্যবাদসূচক প্ৰস্তাৱ উত্থাপন কৰে। বিধায়ক সুশান্ত বৰগোহাঁয়ে এই প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনায়। অধ্যক্ষই ইয়াৰ পাছতে সদনৰ কাৰ্যক্ৰমণিকা ২৫ মে’লৈ স্থগিত ঘোষণা কৰে।

০০০০

ভূমিলেখ আৰু জৰীপ অধিকৰ্তা কাৰ্যালয়ৰ সহকাৰী সঞ্চালক  লাচিত কুমাৰ দাসৰ অবৈধ সম্পত্তিৰ সন্দৰ্ভত দূৰ্নীতি নিৰীক্ষণ আৰু নিবাৰণ সঞ্চালকালয়ে অভিযান অব্যাহত ৰাখিছে। শুকুৰবাৰে নিশা সঞ্চালকালয়ৰ এটা দলে লাচিত কুমাৰ দাসৰ বেলতলা তিনিআলিৰ ৰানী বাগানৰ বাসগৃহৰ সন্মুখত থকা সম্পৰ্কীয় এজন লোকৰ ঘৰতো অভিযান চলায়। অভিযানৰ সময়ছোৱাত বৃহৎ পৰিমাণৰ নগদ ধন উদ্ধাৰ কৰিছে বুলি আৰক্ষীয়ে জানিবলৈ দিছে। উল্লেখযোগ্য যে লাচিত কুমাৰ দাসৰ বাসগৃহৰ পৰা দুৰ্নীতি নিৰীক্ষণ আৰু নিবাৰণ সঞ্চলকালয়ে মুঠ ৪৮ লাখ ৩৮ হাজাৰ ১৫০ টকা মূল্যৰ নগদ ধন জব্দ কৰিছিল। ইয়াৰ লগতে দলটোৱে দাসৰ ঘৰৰ পৰা ৯টা বেংক একাউণ্টত জমা ৰখা ৮০ লাখ টকা ফিক্স ডিপ’জিটৰ ৰচিদ, প্ৰায় আধা কেজি ওজনৰ অলঙ্কাৰ, জীৱন বীমাৰ পলিচিকে ধৰি ভালেখিনি নথি-পত্ৰ আৰু সামগ্ৰী জব্দ কৰে। দুৰ্নীতি নীৰিক্ষণ আৰু নিবাৰণ সঞ্চালকালয়ৰ অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান সুৰেন্দ্ৰ কুমাৰে আজি এখন সংবাদমেলত অভিযুক্ত দাসৰ বাসগৃহত চলোৱা অভিযান সন্দৰ্ভত সবিশেষ সদৰি কৰে।

শ্ৰীকুমাৰে উৎকোচ লোৱা সন্দৰ্ভত এটা গোচৰ ৰুজু কৰাৰ লগতে অভিযুক্ত দাসৰ বিৰুদ্ধে আয়তকৈ অধিক সম্পত্তি অৰ্জনৰো এটা পৃথক গোচৰ ৰুজু কৰা হ'ব বুলি জানিবলৈ দিয়ে। চলিত বৰ্ষত ৪ জনকৈ উচ্চপদস্থ চৰকাৰী বিষয়া উৎকোচ লৈ গ্ৰেপ্তাৰ হোৱাৰ তথ্য সদৰি কৰি তেওঁ কয় যে ৰাজ্য চৰকাৰৰ দুৰ্নীতি বিৰোধী আপোচহীন নীতি অনুযায়ী দুৰ্নীতি নিৰীক্ষণ আৰু নিবাৰণ সঞ্চালকালয়ে দুৰ্নীতিৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে।

০০০০

গুৱাহাটী মহানগৰীৰ যাতায়াত ব্যৱস্থা অধিক সুচল কৰাৰ লক্ষ্যৰে লালগণেশত নিৰ্মাণ কৰা ডঃ শ্যামাপ্ৰসাদ মুখাৰ্জী উৰণ সেঁতুখন আজি উদ্বোধন কৰা হয়। আজি সন্ধিয়া উৰণ সেঁতুখন মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি, নৱনিৰ্বাচিত বিধায়ক প্ৰদ্যুৎ বৰদলৈ, বিজয় কুমাৰ গুপ্তা, দিপ্লু ৰঞ্জন শৰ্মা, ডঃ তপন দাস আৰু গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া উপস্থিতিত উদ্বোধন কৰে। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে, এই উৰণ সেতুখনে গুৱাহাটীৰ যাতায়াত ব্যৱস্থা অধিক সুচল কৰি তুলিব। গুৱাহাটীত  যাতায়াতৰ সুচলতাৰ বাবে আৰু ৩ টা ডাঙৰ প্ৰকল্পৰ কাম আৰম্ভ হোৱাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে পলাশবাৰী আৰু মাজিৰগাওঁৰ মাজত এখন নতুন দলং নিৰ্মাণৰ প্ৰাৰম্ভিক কামক ইতিমধ্যে হাতত লোৱা হৈছে। তদুপৰি নাৰেঙ্গী আৰু কুৰুৱাৰ মাজতো আন এখন নতুন দলঙৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। তদুপৰি ৰিং ৰোড প্ৰকল্পসম্পূৰ্ণ হলে গুৱাহাটী মহানগৰ সম্প্ৰসাৰণ অধিক দ্ৰুতভাৱে হ'ব বুলিও মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উল্লেখ কৰে।

০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰৰ অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদনৰ অহা ২৫ মে'ত পৰৱৰ্তী শুনানি গ্ৰহণ কৰিব। আজি ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠত অনুষ্ঠিত শুনানিত জ্যেষ্ঠ অধিবক্তা প্ৰাণ বৰাই অভিযুক্ত শ্যামকানু মহন্তৰ জামিনৰ সপক্ষে যুক্তি প্ৰদৰ্শনৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰে। ইয়াৰ পাছতে অহা ২৫ মে'ত হ'বলগীয়া শুনানিত অসম চৰকাৰৰ হৈ মহাধিবক্তা দেৱজিৎ শইকীয়া আৰু জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিশেষ লোক অধিবক্তা জীয়াউল কামাৰে অভিযুক্ত শ্যামকানু মহন্তৰ জামিনৰ বিপক্ষে যুক্তি দৰ্শাব। ইপিনে, অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদনৰ ভিত্তিত উচ্চ ন্যায়ালয়ে গোচৰৰ কেছ ডায়েৰী দাখিল কৰিবলৈ আৰক্ষীক পূৰ্বে নিৰ্দেশ দিছিল। সেই অনুসৰি, আজি উচ্চ ন্যায়ালয়ৰ মজিয়াত কেছ ডায়েৰীৰ লগতে নিম্ন আদালতৰ নথি-পত্ৰ দাখিল কৰা হয়।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ভি ডি অ' কনফাৰেন্সিং ব্যৱস্থাৰ মাধ্যমেৰে ১৯ সংখ্যক নিয়োগ মেলাৰ জৰিয়তে বিভিন্ন চৰকাৰী বিভাগ আৰু সংস্থাত ৫১ হাজাৰৰো অধিক যুৱক-যুৱতীক নিযুক্তি পত্ৰ বিতৰণ কৰিব। ইয়াৰ পূৰ্বে দেশজুৰি আয়োজিত ১৮ খন নিয়োগ মেলাৰ জৰিয়তে দেশৰ প্ৰায় ১৮ লাখ যুৱক-যুৱতীক নিযুক্তি পত্ৰ বিতৰণ কৰা হয়। কাইলৈ এই নিয়োগ মেলা দেশৰ ৪৭ টা স্থানত অনুষ্ঠিত হ'ব। দেশৰ সকলো প্ৰান্তৰ পৰা নিৰ্বাচিত প্ৰাৰ্থীসকলে ৰে'ল মন্ত্ৰালয়, বিত্তীয় সেৱা বিভাগ, গৃহ মন্ত্ৰালয়, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়, উচ্চ শিক্ষা বিভাগকে ধৰি কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিভাগত যোগদান কৰিব।

০০০০

আই পি এল ক্রিকেট প্রতিযোগিতাত আজি হায়দৰাবাদত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে-ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুক জয়ৰ বাবে ২৫৬ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। টছত জয়ী হৈ ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৪ টা উইকেট হেৰুৱাই ২৫৫ ৰান সংগ্ৰহ কৰে। হায়দৰাবাদৰ হৈ ইশান কিষাণে সৰ্বাধিক ৭৯ ৰান কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ